# অসম বিধান সভাৰ নতুন ভৱন উদ্বোধন
# উপলক্ষে মাননীয় অধ্যক্ষ
# শ্ৰী বিশ্বজিৎ দৈমাৰীৰ আদৰণি ভাষণ





# অসম বিধান সভাৰ নতুন ভৱন উদ্বোধন উপলক্ষে মাননীয় অধ্যক্ষ শ্ৰী বিশ্বজিৎ দৈমাৰীৰ আদৰণি ভাষণ

জয় জয়তে আজি অসম বিধান সভাৰ নৱ নিৰ্মিত ভৱন উদ্বোধন-কাৰ্য্যসূচীৰ এই পৰিত্ৰক্ষণত ইয়াত উপস্থিত থকা সকলোকে মই অসম বিধান সভাৰ অধ্যক্ষ হিচাপে আৰু অসম বিধান সভা সচিবালয়ৰ সমূহ বিষয়া-কৰ্মচাৰীৰ হৈ আদৰণি জনাইছোঁ । মহাবাহু ব্ৰহ্মপুত্ৰই ধোৱাই নিয়া পবিত্ৰ নীলাচল পাহাৰত স্থিত মা-কামাখ্যাৰ পাদদেশত অৱস্থিত দিশপুৰত অসম বিধান সভাৰ এক ইতিহাস আছে ।

অসম হৈছে প্ৰকৃতিৰ এক অছদ্য মিলন-ভূমি । বিভিন্ন পৰ্বত পাহাৰেৰে পৰিবেষ্টিত সেউজীয়া-প্ৰকৃতিৰ নান্দনিক কানন। অসমত এশৰো অধিক ভাষা- জনগোষ্ঠীৰ লোক আছে । ভাষা-সংস্কৃতিৰ ভিন্নতা থাকিলেও অসম হাজাৰ হাজাৰ বছৰ ধৰি এই লোক সকলৰ সমন্বয়ৰ ক্ষেত্ৰ হৈ আছে । নাগালেণ্ড, মেঘালয়, মিজোৰাম আৰু অৰুনাচল আদি অঞ্চল পূৰ্ণাঙ্গ ৰাজ্য হোৱাৰ আগতে অসম বিধান সভাৰেই অংশ আছিল । পৰৱৰ্তী কালত এই ৰাজ্যসমূহ অসমৰ পৰা পৃথক হৈ গ'লেও সমগ্ৰ উত্তৰ পূৰ্বাঞ্চলৰ সকলো জনগোষ্ঠীৰ মাজত সাম্প্ৰদায়িক সম্প্ৰীতি আজিও অটুট আছে ।

কুশল কোঁৱৰ, ৰাণী গাইডেনলু, সম্বোধন ফংলো, কনকলতা বৰুৱা, নিধানু ৰাজবংশী, মণিৰাম কছাৰী, দয়াল দাস পানিকা আদি ভাৰতৰ স্বাধীনতা আন্দোলনৰ বীৰ সকলো এই ভূমিৰে সন্তান । এই সকল স্বাধীনতা সংগ্ৰামীয়ে দেখুৱাই থৈ যোৱা চৰম ত্যাগ আৰু আদৰ্শ আমাৰ নতুন প্ৰজন্মৰ বাবে আজিও প্ৰেৰণাৰ উৎস ।

ভাৰতবৰ্ষৰ বৰ্ণিল ইতিহাসৰ লগত অসমৰ ঐতিহ্য আৰু পৰম্পৰা একেডাল সূতাৰে বান্ধ খাই আছে । প্ৰাগজ্যোতিষপুৰৰ ৰজা ভগদত্তই মহাভাৰতৰ যুদ্ধত অংশগ্ৰহণ কৰিছিল । ইয়াৰ উপৰি কুণ্ডিলৰ ৰজা ভীষ্মকৰ পুত্ৰী ৰুক্মিণীৰ ভগৱান শ্ৰী কৃষ্ণৰ দ্বাৰা পাণি গ্ৰহণ, কৃষ্ণৰ নাতি অনিৰুদ্ধৰ বাণৰজাৰ জীয়াৰী ঊষাৰ লগত মিলন, মুৰাৰ জীয়ৰী মৌৰবীৰ ঘটোৎকচৰ লগত বিয়া আদিয়ে প্ৰমাণ কৰে যে উত্তৰ পূৰ্বাঞ্চল ভাৰতৰ ঐতিহাসিক সভ্যতা সংস্কৃতিৰ লগত চিৰকাল জড়িত হৈ আহিছে । থোৰতে কবলৈ গলে অসমৰ বৰ্ণাধ্য সভ্যতা সংস্কৃতিক বাদ দি মহান ভাৰতীয় ইতিহাস কেতিয়াও সম্পূৰ্ণ হ'ব নোৱাৰে । ইয়াৰ লগতে অতীতত অসমত আহোম, কছাৰী, চুতীয়া আদি ৰাজত্ব কালে অসমৰ ইতিহাস অধিক সমৃদ্ধ কৰিছে ।

১৮২৬ চনত ইয়াণ্ডাবু সন্ধিৰ জড়িয়তে অসমৰ শাসনভাৰ বৃটিছ চৰকাৰৰ অধীনলৈ যোৱাৰ পাছত ১৯১৩ চনৰ ২ জানুৱাৰীত ২৫ গৰাকী সদস্যৰে গঠিত হোৱা অসম বিধান পৰিষদ (Assam Legislative Council) ৰ বৈঠক শ্বিলঙৰ চৰকাৰী ভৱনত তেতিয়াৰ অসমৰ মুখ্য আয়ুক্ত ছাৰ আৰ্চডেল আৰ্লৰ পৌৰহিত্যত অনুষ্ঠিত হৈছিল । সেয়া আছিল অসম তথা উত্তৰ পূৰ্বাঞ্চলৰ জনসাধাৰণৰ আশা আকাংখ্যাক প্ৰতিফলিত কৰাৰ প্ৰথম মঞ্চ । ১৯৩৫ চনৰ ভাৰত চৰকাৰ আইন মতে, ভাৰতবৰ্ষৰ অন্যান্য ৰাজ্যৰ লগতে অসমৰ বাবেও অসম বিধান সভা গঠন হৈছিল। ইয়াৰ প্ৰথম বৈঠক অনুষ্ঠিত হৈছিল ১৯৩৭ চনৰ ৭ এপ্ৰিলত শ্বিলঙৰ চৰকাৰী ভৱনত । ১৯১৩ চনৰ পৰা ১৯৭০ চনলৈকে অবিভক্ত অসমৰ ৰাজধানী আছিল শ্বিলং । কিন্তু ১৯৭০ চনত মেঘালয় ৰাজ্য নতুনকৈ গঠন হোৱাৰ পাছত, তেতিয়াৰ অসমৰ মুখ্যমন্ত্ৰী প্ৰয়াত শৰৎ চন্দ্ৰ সিংহই অসমৰ ৰাজধানী ভৈয়ামলৈ স্থানান্তৰ কৰাৰ বাবে তেতিয়াৰ অতিৰিক্ত মুখ্য সচিব এছ. কে. মল্লিকৰ নেতৃত্বত এখন পাঁচজনীয়া কমিটী গঠন কৰিছিল । কমিটীয়ে এই উদ্দেশ্যে তিনিখন স্থান বাছনি কৰিছিল । সেই কেইখন আছিল, চন্দ্ৰপুৰ, ডিমৰীয়া আৰু শিলঘাট । সেই সময়ত ৰাজধানী স্থাপনৰ বাবে ৰাজ্যখনৰ আৰ্থিক অৱস্থা স্বচ্ছল নাছিল । তদুপৰি অসম বিধান সভাৰ সদস্যসকলে ততাতৈয়াকৈ ৰাজধানী স্থানান্তৰ হোৱাটো বিচাৰিছিল । সেই উদ্দেশ্যে তেখেতসকলে মুখ্যমন্ত্ৰী শৰৎ চন্দ্ৰ সিংহক হেঁচা প্ৰয়োগ কৰিছিল । মুখ্যমন্ত্ৰী শৰৎ চন্দ্ৰ সিংহই ১৯৭২ চনৰ ২১ জুন তাৰিখে অসমৰ ৰাজধানী দিশপুৰলৈ অস্থায়ীভাবে স্থানান্তৰ কৰাৰ বিষয়ে ঘোষণা কৰিছিল । সেই উদ্দেশ্য আগত ৰাখি ১৯৭২ চনৰ ২ অক্টোবৰত দিশপুৰত অসমৰ প্ৰাক্তন মুখ্যমন্ত্ৰী, প্ৰয়াত বিষ্ণুৰাম মেধিয়ে আধাৰশিলা স্থাপন কৰিছিল । আৱশ্যকীয় আন্তঃগাঁথনি নথকাৰ বাবে দুটাকৈ বৃহৎ পণ্যাগাৰ (Ware house) অধিগ্ৰহণ কৰি তাৰ পৰাই অস্থায়ী ৰাজধানীৰ কামকাজ পৰিচালনা কৰাৰ সিদ্ধান্ত লৈছিল ।

যুদ্ধকালীন ক্ষিপ্ৰতাৰে কাম আৰম্ভ কৰি ১৯৭৩ চনৰ ১৬ মাৰ্চত,উক্ত অস্থায়ী বিধান সভা ভৱনত অসম বিধান সভাৰ প্ৰথম বাজেট অধিবেশন অনুষ্ঠিত হৈছিল । প্ৰথম দিনাৰ বৈঠকত তেতিয়াৰ ৰাজ্যপাল ব্ৰজকুমাৰ নেহৰুৱে ভাষণ প্ৰসঙ্গত অস্থায়ী ৰাজধানী স্থানান্তৰৰ শলাগ লৈছিল । অস্থায়ী ৰাজধানী স্থানান্তৰ হোৱাৰ পাছত সময়ে সময়ে স্থায়ী ৰাজধানী নিৰ্মাণৰ কথা উত্থাপিত হৈছিল । এই দাবীৰ প্ৰতি সঁহাৰি জনাই ১৯৮৪ চনৰ ২ মাৰ্চত তেতিয়াৰ মুখ্যমন্ত্ৰী প্ৰয়াত হিতেশ্বৰ শইকীয়াই প্ৰয়াত প্ৰধান মন্ত্ৰী ইন্দিৰা গান্ধীৰ হতোৱাই চন্দ্ৰপুৰত স্থায়ী ৰাজধানীৰ আধাৰশিলা স্থাপন কৰিছিল আৰু ৰাজধানীৰ নাম দিয়া হৈছিল ‘প্ৰাগজ্যোতিষপুৰ' ।

ইয়াৰ পাছত ২০০১ চনত তেতিয়াৰ মুখ্যমন্ত্ৰী প্ৰয়াত তৰুণ গগৈৰ দিনত স্থায়ী ৰাজধানী নিৰ্মাণৰ কাম আৰম্ভ কৰা হৈছিল। সেই হিচাপে ২০১১ চনৰ ৫ ফেব্ৰুৱাৰীত অসম বিধান সভাৰ ভৱন আৰু সচিবালয় নিৰ্মাণৰ আধাৰ শিলা স্থাপন কৰি নিৰ্মাণৰ কাম আৰম্ভ কৰা হৈছিল। কিন্তু বিভিন্ন কাৰণবশতঃ নিৰ্মাণৰ কাম অসম্পূৰ্ণ হৈ ৰৈছিল।

২০২১ চনৰ মে' মাহত মই অধ্যক্ষৰ দায়িত্ব গ্ৰহণ কৰাৰ পাছত পুনৰ এই বিধান সভাৰ নিৰ্মাণৰ কাম কৰিবলৈ হাতত লওঁ। সেই অনুসৰি অসম বিধান সভাৰ এই নতুন ভৱনৰ নিৰ্মাণ অত্যাধুনিক সা-সুবিধাৰে সম্পূৰ্ণ কৰা হৈছে। বিধান সভাৰ সচিবালয় ভৱনো সম্প্ৰতি নতুন ৰূপত নিৰ্মাণ কৰি থকা হৈছে। মই আশা ৰাখিছোঁ, এই নতুন বিধান সভাৰ ভৱনৰ পৰাই অসমৰ ৰাইজৰ আশা-আকাংখ্যা প্ৰতিফলিত হ'ব।

অসম বিধান সভাৰ এক গৌৰবোজ্জল ইতিহাস আছে। এই বিধান সভাতে বহুকেইখন ঐতিহাসিক বিল উত্থাপন কৰি আইনলৈ ৰূপান্তৰিত কৰা হৈছে। সেই মৰ্য্যদা এতিয়াও অব্যাহত আছে। অধ্যক্ষ হিচাপে মোৰ এই দুবছৰীয়া কাৰ্য্যকালতে ১৩৫ খন বিল পাছ কৰি আইনলৈ ৰূপান্তৰ কৰা হৈছে। এই বিধান সভাতে ১৯৬০ চনত অসমীয়া ভাষাই ৰাজ্যিক তথা চৰকাৰী ভাষা হিচাপে স্বীকৃতি লাভ কৰে।

অসম বিধান সভা অসমৰ অতীতৰ ইতিহাসৰ সাক্ষী। এই বিধান সভাৰ মজিয়াতে অসমৰ ৰাজনৈতিক, অৰ্থনৈতিক আৰু সামাজিক উত্তৰণৰ বিকাশৰ ধাৰা প্ৰবাহিত হৈ আহিছে। বিগত দুটা বছৰে বিধান সভাৰ অধ্যক্ষ হিচাপে বিধান পালিকাৰ এই মৰ্য্যদা সম্পন্ন আসনত অধিষ্ঠিত হবলৈ পাই মই নিজে গৌৰৱ অনুভৱ কৰিছোঁ। মই মোৰ কাৰ্যকালত ৰাজ্য সভাৰ সাংসদ আৰু বিধান সভাৰ সদস্য হিচাপে কাৰ্য্যনিৰ্বাহ কৰাৰ সুযোগ পাইছিলোঁ। দুয়োখন সদন তথা ভাৰতীয় গণতন্ত্ৰৰ ইতিবাচক পৰিক্ৰমাৰ অভিজ্ঞতাই মোক সদায়েই অসম বিধান সভাৰ পূৰ্বৰ গৌৰৱময় ইতিহাসৰ পৰম্পৰা উজ্বলাই ৰখাৰ বাবে দায়বদ্ধ কৰিছে। এই বিধান সভাত বাবু বসন্ত কুমাৰ দাস, দেবেশ্বৰ শৰ্মা, দেৱকান্ত বৰুৱা, কুলধৰ চলিহা, মহেন্দ্ৰ মোহন চৌধুৰীকে আদি কৰি অধ্যক্ষ সকলে সদনৰ সৌষ্ঠৱ বৃদ্ধি কৰি থৈ গৈছে। এই সকলৰ উপৰিও গোপীনাথ বৰদলৈ, ৰূপনাথ ব্ৰহ্ম, শৰৎ চন্দ্ৰ সিংহ, হিতেশ্বৰ শইকীয়া, বিষ্ণু প্ৰসাদ ৰাভা, ড° ভূপেন হাজৰিকা, গৌৰীশংকৰ ভট্টাচাৰ্য্য আদি মহান ব্যক্তি সকলে অসম বিধান সভা অলংকৃত কৰিছিল।

এই সৌষ্ঠৱ আৰু গৌৰৱৰ অংশীদাৰ হিচাপে মই বিধান সভাৰ মৰ্য্যদা ৰক্ষাৰ বাবে যৎপৰোনাস্তি চেষ্টা কৰি আহিছোঁ। এই ক্ষেত্ৰত সদনৰ নেতা তথা অসমৰ মুখ্যমন্ত্ৰী মাননীয় ড°

হিমন্ত বিশ্ব শৰ্মা আৰু বিৰোধী দলপতি দেবব্ৰত শইকীয়া, তথা অসমৰ বিধায়ক, বিধায়িকাসকলক মই সদনৰ কাৰ্য্য পৰিচালনাত সহায় আৰু সহযোগিতা আগবঢ়োৱাৰ বাবে কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ।

বিধান সভাৰ অধ্যক্ষৰ মূল দায়িত্ব আৰু কৰ্ত্তব্য হৈছে অসম বিধান সভাৰ কাৰ্য্য বিৱৰণী সমূহত অধ্যক্ষতা কৰাৰ উপৰিও সদনৰ আস্থাৰ ভাব গঢ়ি তোলা। এই ক্ষেত্ৰত মোৰ ফালৰ পৰা সকলো ধৰণৰ চেষ্টা আৰু যত্ন কৰি আহিছোঁ, যাতে বিধান সভাৰ মজিয়াত সৌষ্ঠৱ আৰু সহৃদয়তা বৃদ্ধি পায়।

গণতন্ত্ৰৰ মূল ভেটিটো হৈছে বিধান পালিকা। য'ত দেশ বা ৰাজ্যখনৰ পৰিচালনাৰ কাৰণে প্ৰয়োজনীয় আইন প্ৰস্তুত কৰাৰ উপৰিও সংবিধানৰ পবিত্ৰতাৰ লগতে সদনৰ মৰ্য্যাদা ৰক্ষা কৰা হয়। মোৰ এই দুবছৰ অতিক্ৰম কৰা কাৰ্য্যকালত সদনৰ পবিত্ৰতা, মৰ্য্যাদা আৰু গঠনমূলক আলোচনা আৰু সুস্থ বিতৰ্কৰ পৰিৱেশ সৃষ্টি কৰাৰ বাবে মই আন্তৰিকতাৰে চেষ্টা কৰি আহিছোঁ।

এই নৱ নিৰ্মিত ভৱনটো সম্পূৰ্ণ হৈ উঠাত মই ৰাজ্যখনৰ মাননীয় মুখ্য মন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়াৰ উৎসাহজনক চিন্তাধাৰাক প্ৰশংসা কৰিবই লাগিব। এই দিশত তেখেতৰ বহুমূলীয়া পৰামৰ্শ আৰু আৱশ্যকীয় পুঁজি প্ৰদানে অসম বিধান সভাক এই পৰ্যায়লৈ আহি পোৱাত যথেষ্ট সহায় কৰিছে। তেখেতৰ নেতৃত্বত ৰাজ্যখনত যুগান্তৰকাৰী অৰ্থনৈতিক আৰু সামাজিক বিপ্লৱ আৰম্ভ হৈছে আৰু আমি আশা ৰাখিছোঁ যে তেখেতৰ নেতৃত্বত অসম ৰাজ্য দেশৰ ভিতৰত এখন শক্তিশালী আৰু উন্নয়নশীল ৰাজ্য হিচাপে প্ৰতিষ্ঠা হ'ব।

আজিৰ এই পৱিত্ৰ অনুষ্ঠানত লোক সভাৰ মাননীয় অধ্যক্ষ শ্ৰী ওম বিৰলা মহোদয়ে তেখেতৰ দৈনন্দিন কামৰ ব্যস্ততাৰ মাজতো আমাৰ আমন্ত্ৰণক্ৰমে আহি আমাৰ মাজত উপস্থিত হৈছে। তেখেতে অসম বিধান সভাৰ নৱ-নিৰ্মিত ভৱন অসমৰ ৰাইজলৈ উৎসৰ্গা কৰি অসম বিধান সভাৰ মাননীয় সদস্য, সদস্যা সকলক অনুপ্ৰাণিত আৰু উৎসাহিত কৰিছে। ইয়াৰ বাবে অসম বিধান সভাৰ তৰফৰ পৰা তেখেতলৈ আমাৰ আন্তৰিক শ্ৰদ্ধা আৰু কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ।

মাননীয় অধ্যক্ষ মহোদয়ে লোকসভাৰ মজিয়াত দেখুওৱা নিৰপেক্ষতা আৰু গণতন্ত্ৰৰ ধ্বজা অটুট ৰখাৰ ক্ষেত্ৰত তেখেতৰ আচৰণ সকলোৰে বাবে শিক্ষণীয়। অসম বিধান সভাৰ অধ্যক্ষ হোৱাৰ পাছৰে পৰা মই তেখেতৰ পৰা বিভিন্ন দিহা পৰামৰ্শ লাভ কৰি আহিছোঁ।

তেখেত মোৰ বাবে বন্ধু, দাৰ্শনিক তথা পথ প্ৰদৰ্শক । তেখেতে মোক commonwealth Parliamentary Association ৰ সদস্য হিচাপে নিযুক্তি দিয়ে আৰু ইয়াৰ জড়িয়তে মই অসম বিধান সভাক ৰাষ্ট্ৰীয় আৰু আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ত পৰিচিত কৰাবলৈ সক্ষম হৈছোঁ । আহি থকা দিনবোৰতো তেখেতৰ পৰা প্ৰেৰণা আৰু সহায় লাভ কৰি থাকিম বুলি আশা ৰাখিছোঁ ।

সদৌ শেষত আজিৰ এই অনুষ্ঠানত উপস্থিত থকা মাননীয় মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা, কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোনোৱাল, ৰাজ্যিক কেন্দ্ৰীয় মন্ত্ৰী ৰামেশ্বৰ তেলী আৰু বিৰোধী দলপতি দেৱব্ৰত শইকীয়াৰ উপৰিও অসম চৰকাৰৰ মন্ত্ৰী- বিধায়ক সকল, প্ৰাক্তন সাংসদ সকল আৰু প্ৰাক্তন বিধায়ক সকলৰ লগতে উপস্থিত সভাসদক মোৰ আন্তৰিক শ্ৰদ্ধা আৰু কৃতজ্ঞতা জ্ঞাপন কৰি ইমানতে মোৰ আদৰণি ভাষণ সমাপ্ত কৰিছোঁ ।

জয় হিন্দ।

*******************************************************************************